**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু টাঞ্জেনিয়াৰ ৰাষ্ট্ৰপতি চামিয়া চুলুহো হাচানে আজি নতুন দিল্লীত বিভিন্ন বিষয় সামৰি এলানি আলোচনাত মিলিত হয়।

২. দেশৰ নিৰ্বাচন আয়োগে আজি ছত্তিশগড়, মিজোৰাম, মধ্যপ্ৰদেশ, তেলেংগানা আৰু ৰাজস্থানৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে।

৩. ছিকিমৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ১০ জন সেনাজোৱানো আছে।

৪. অসম মাধ্যমিক শিক্ষা পৰিষদে আজি ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময়সূচী ঘোষণা কৰিছে।

আৰু,

৫. আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত অনুষ্ঠিত খেলত নিউজিলেণ্ড নেডাৰলেণ্ডছৰ মুখামুখী হ'ব।

..................

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু টাঞ্জেনিয়াৰ ৰাষ্ট্ৰপতি চামিয়া চুলুহো হাচানে আজি নতুন দিল্লীত বিভিন্ন বিষয় সামৰি এলানি আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশসমূহ পৰ্যালোচনা কৰাৰ লগতে দুইখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কক সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে। দুই পক্ষৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকো অনুষ্ঠিত হয়। বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তা, অংশীদাৰীৰ বিকাশ, উচ্চ শিক্ষা তথা জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ বহুল পৰিসৰত আলোচনা কৰা হয়।

শ্ৰীমতী হাচানে আজি পুৱা ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধা জনায়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ৰীমতী হাচানক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাবে স্বাগতম জনায়। টাঞ্জেনিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দুয়োখন দেশৰ মাজত শতিকাজুৰি থকা সুন্দৰ সম্পৰ্কৰ প্ৰশংসা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ জৰিয়তে ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকাশত নতুন দিশ মুকলি হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে দুয়োখন দেশৰ মাজত অতীজতে স্থাপন হোৱা দ্বিপাক্ষিক সম্পৰ্ক শতিকা শতিকাজুৰি অব্যাহত থাকিব বুলিও আশা ব্যক্ত কৰে।

আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, টাঞ্জেনিয়াৰ ৰাষ্ট্ৰপতি হিচাপে শাসনভাৰ গ্ৰহণৰ পাছত এইয়া হৈছে শ্ৰীমতী হাচানৰ প্ৰথমটো ভাৰত ভ্ৰমণ। প্ৰায় ৮ বছৰৰ পাছত টাঞ্জেনিয়াৰ ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণে দুয়োখন

দেশৰ মাজত ঐতিহাসিক আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক সজীৱ আৰু শক্তিশালী কৰি তুলিব। শ্ৰীমতী হাচানে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। কাইলৈ তেওঁ নতুন দিল্লীত এখন ব্যৱসায় আৰু বিনিয়োগ মঞ্চত অংশগ্ৰহণ কৰিব।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে আজি পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰে। সেই অনুসৰি ছট্টিশগড় বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেদৰে মিজোৰামত ৭ নৱেম্বৰত, মধ্যপ্ৰদেশত ১৭ নৱেম্বৰত, ৰাজস্থানত ২৩ নৱেম্বৰত আৰু তেলেংগনাত ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৩ ডিচেম্বৰত আটাইকেইখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নতুন দিল্লীত আজি সাংবাদিকৰ আগত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, ২০২৪ চনৰ ৰাষ্ট্ৰীয় নিৰ্বাচনৰ পূৰ্বে চূড়ান্ত বিধানসভা নিৰ্বাচন হিচাপে এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে। আয়োগে এই ৰাজ্যকেইখনত মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন নিশ্চিত কৰিব বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই পাঁচখন ৰাজ্যত প্ৰায় ১৬ কোটি ভোটদাতা আছে। ইয়াৰ ভিতৰত প্ৰায় ৬০ লাখ ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটদান কৰিব। নিৰ্বাচন আয়োগে এই পাঁচখন ৰাজ্য পৰিদৰ্শন কৰি মুখ্য কাৰ্যবাহী বিষয়া, জিলা আৰু ৰাজ্যিক প্ৰশাসন তথা কেইবাটাও কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰৱৰ্তন সংস্থাৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই ৰাজ্য কেইখনত ১৭ হাজাৰ ৭৩৪ টা আৰ্হি নিৰ্বাচন কেন্দ্ৰ থাকিব। আনহাতে ৰাজ্যকেইখনৰ মুঠ ৬৭৯ টা বিধানসভা সমষ্টিৰ বাবে ১ লাখ ৭৭ হাজাৰ ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ইয়াৰে ১ লাখ ভোটকেন্দ্ৰত ৱেবকাষ্টিঙৰ সুবিধা থাকিব। ভোটকেন্দ্ৰসমূহত নূন্যতম সকলো সুবিধা উপলব্ধ হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্তই জনোৱা মতে, মধ্য প্ৰদেশৰ জনজাতীয় লোকসকলৰ বাবে সংৰক্ষিত বনাঞ্চল এলেকাত ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব।

০০০০০০

ছিকিমৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ১০ জন সেনাজোৱানো আছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা পৰিষদে জনোৱামতে এতিয়ালৈকে ১০৫ জন লোক সন্ধানহীন হৈ আছে। আনহাতে বৰ্তমানলৈকে বানত আৱদ্ধ হৈ পৰা ২ হাজাৰ ৫৬৩ জন লোকক উদ্ধাৰ কৰা হৈছে আৰু ৬ হাজাৰ ৮৪৭ জন লোকে ২৮ টা সাহাৰ্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। তিস্তা নদীৰ অৱবাহিকাত আকস্মিক বানে ১৪ খন দলং উটুৱাই নিয়াৰ লগতে বানৰ ফলত ৰাজ্যখনৰ ১ হাজাৰ ৩৮১টা গৃহ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে। ভাৰতীয় সেনাৰ ত্ৰিশক্তি বাহিনীয়ে সন্ধানহীন লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বাহিনীটোৱে লগতে উত্তৰ ছিকিমৰ লাচেন, লাচুং, থাংগু আৰু চুংথাঙৰ বিভিন্ন অঞ্চলত আৱদ্ধ হৈ ৰোৱা ১ হাজাৰ ৭০০ গৰাকী পৰ্যটকলৈ সাহাৰ্য আগবঢ়াইছে। পৰ্যটকসকলক খাদ্য, চিকিৎসা আৰু যোগাযোগৰ সুবিধা প্ৰদান কৰা হৈছে। ভাৰতীয় সেনাই পৰ্যটকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ নকৰা পৰ্যন্ত নিৰাপদে ৰাখিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা চলাইছে। গৃহ মন্ত্ৰালয়ৰ অধীনৰ আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দলে ৰাজ্যখনত এই প্ৰাকৃতিক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ বুজ লৈছে।

ইফালে ছিকিমত আবদ্ধ হৈ ৰোৱা অসমৰ ১২৪ গৰাকী শিক্ষাথী আজি সুকলমে গুৱাহাটীত উপস্থিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত তথা  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিশেষ তৎপৰতাত ৰাজ্যখনৰ বিভিন্ন অঞ্চলত অধ্যয়নৰত অসমৰ শিক্ষাৰ্থীসকলক নিৰাপদে ঘূৰাই অনা হয়। শিক্ষামন্ত্ৰীয়ে গুৱাহাটীৰ এখন হোটেলত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে।

০০০০

চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে যোৱা সপ্তাহত সংঘটি হোৱা দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ বাবে ল'বলগীয়া ব্যৱস্থা আৰু পুনৰুদ্ধাৰ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ আজি পুৱা এখন উচ্চস্তৰীয় বৈঠকত মিলিত হয়। সংকটৰ প্ৰতি ক্ষীপ্ৰ সঁহাৰি জনোৱাৰ লগতে সামৰিক বাহিনীৰ লোকৰ সৈতে সহযোগিতাৰে কাম কৰি পুনৰ উদ্ধাৰ নিশ্চিত কৰাৰ বাবে এই বৈঠক অনুষ্ঠিত হয়। ইতিমধ্যে চুংথাঙত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দুটা দল মোতায়েন কৰা হৈছে। দল দুটা সাহায্য আৰু উদ্ধাৰ অভিযানত নিয়োজিত হৈ আছে। আজি পুৱা লাচেনৰ পৰা সেনাৰ হেলিকপ্তাৰেৰে প্ৰথমটো পৰ্যটক গোটক বিমান যোগে মংগনৰ ৰিংহিম হেলিপেডলৈ লৈ যোৱা হয়।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদে আজি ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময়সূচী ঘোষণা কৰে। সেই অনুসৰি ১৬ ফেব্ৰুৱাৰীৰ পৰা পৰীক্ষাসমূহ আৰম্ভ হ'ব আৰু ৪ মাৰ্চত অন্ত পৰিব। এইবাৰৰ দৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰশ্নকাকতসমূহ পঢ়াত সুবিধা হোৱাৰ বাবে পৰীক্ষা আৰম্ভ হোৱাৰ পূৰ্বে ৫ মিনিট অতিৰিক্ত সময় দিয়া হ'ব।

০০০০০০০

আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত ডেংগু জ্বৰ - কাৰণ, লক্ষণ আৰু প্ৰতিৰোধৰ ব্যৱস্থা সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ব। অনুষ্ঠানত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান - এইমছৰ মেডিচিন বিভাগৰ বিশিষ্ট চিকিৎসক ড০ পিয়ুষ ৰঞ্জন উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ডেংগু ৰোগৰ সংক্ৰমণ, ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা, চিকিৎসা পদ্ধতি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ০১১-২৩৭১-৭১০৬ আৰু ০১১-২৩৩১-৪৪৪৪ এই নম্বৰত ডায়েল কৰি অনুষ্ঠানত ভাগ ল'ব পাৰিব। ৯২৮৯০-৯৪০৪৪ এই ৱাটছএপ নম্বৰতো শ্ৰোতাসকলে নিজৰ প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহতো এই অনুষ্ঠান পোনপটীয়াকৈ শুনিব পৰা যাব। আনহাতে আমাৰ ৱেবছাইট newsonair.gov.in আৰু youtube চেনেল newsonair official তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এচ. জয়শংকৰে কৈছে যে, জি টুৱেণ্টিৰ অধ্যক্ষতাই ভাৰতীয় কূটনীতিয়ে যে প্ৰকৃতাৰ্থত পৰিৱৰ্তন আনিব পাৰে সেয়া প্ৰমাণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ডঃ জয়শংকৰে ভাৰতীয় বৈদেশিক সেৱা দিৱস উপলক্ষে এই সেৱাৰ সৈতে জড়িত বিষয়াসকলক শুভেচ্ছা জনাই এনেদৰে কয়। তেওঁ উল্লেখ কৰে যে, অধিক জটিল আৰু অভাৱনীয় প্ৰেক্ষাপটত ভাৰতৰ উত্থান ঘটিছে আৰু এইক্ষেত্ৰত বৈদেশিক সেৱাৰ সৈতে জড়িত বিষয়াসকলৰ দায়িত্ব দিনক দিনে বৃদ্ধি পাইছে। তেওঁ লগতে দেশৰ অন্যান্য

সেৰাসমূহৰ দৰেই ভাৰতীয় বৈদেশিক সেৱাই অমৃত কালৰ দৰ্শনৰ প্ৰতি সঁহাৰি আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০

আই চি চি পুৰুষ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া খেলত নিউজিলেণ্ডে নেদাৰলেণ্ডছৰ বিৰুদ্ধে খেলিব। খেলখন দিনৰ ২ বজাত আৰম্ভ হ'ব।

ইপিনে, চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাজিত কৰে। খেলখনত অষ্ট্ৰেলিয়াই নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪১ অভাৰ আৰু দুটা বলত বিজয় সাব্যস্ত কৰে। বিৰাট কোহলীয়ে ৮৫ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৯৭ ৰান কৰি অপৰাজিত হৈ থাকে। কে এল ৰাহুলক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

০০০০০০০